**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰীক্ষা পে চৰ্চা**।

২। নামৰূপ সাৰ কাৰখানাত আজি প্ৰধানমন্ত্ৰীৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী।

৩। একত্ৰিকৰণৰ পাছত খালী হৈ থকা বিদ্যালয়সমূহৰ ভূমি সম্পত্তি আৰু আন্তঃগাঁথনিৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰৰ কঠোৰ নীতি-নিৰ্দেশনা জাৰি।

৪। অসমৰ থলুৱা নাগী হাঁহ আৰু ৰাজহাঁহৰ ৰাজদীঘেলী প্ৰজাতিলৈ ৰাষ্ট্ৰীয় স্বীকৃতি। **আৰু**

৫। পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিছে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছতে নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বিশ্বমানৰ এই প্ৰকল্পৰ উৎপাদন ক্ষমতা বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এমনিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে ২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত যথেষ্ট লাভান্বিত কৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পত অইল ইণ্ডিয়া লিমিটেডৰ পৰা প্ৰাকৃতিক গেছৰ যোগান ধৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীৰ মূল বজাৰসমূহ শক্তিশালী কৰি তোলা হ'ব। ইউৰিয়া প্ৰকল্প ৰূপায়ণৰ ফলত ভাৰতৰ ইউৰিয়া আমদানি হ্ৰাস পোৱাৰ লগতে অসম আৰু উত্তৰ-পূবৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণ হ'ব। এই প্ৰকল্পৰ আশেপাশে অৰ্থনৈতিক কামকাজ বৃদ্ধি হোৱাৰ ফলত তিনি শতাধিক প্ৰত্যক্ষ আৰু সহস্ৰাধিক পৰোক্ষ নিয়োগ সৃষ্টি হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিনৰ ১১ বজাত অংশ ল'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। এই কাৰ্যসূচী সন্দৰ্ভত নামৰূপৰ পৰা এয়া আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈ-

**(ভইচ ঃ গগৈ)**

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা

এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু কপৌ ফুলক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত অসমৰ লুইতপৰীয়া ৰাইজক অসমীয়া ভাষাৰে সম্ভাষণ জনাই প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৰ্বৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে আন্তঃগাঁথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলাৰ দিশতো উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত শীৰ্ষ স্থানত থকা বিষয়টোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে সম্প্ৰতি অসমত অজস্ৰ যুৱক-যুৱতীয়ে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা বিষয়টোক লৈ সন্তোষ প্ৰকাশ কৰে।

**বাইট ঃ মোদী**

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুয়ে নিজৰ ভাষণত অসম তথা উত্তৰ পূৱৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু লোক জীৱনক প্ৰশংসা কৰি কয় যে উত্তৰ পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয়। তেওঁ সকলোকে অসম তথা উত্তৰ পূব ভ্ৰমণৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত অসমবাসীয়ে নিজৰ সপোনক বাস্তৱায়িত কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিকদৰ্শন কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো টাৰ্মিনেল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে ২০৩২ চনৰ ভিতৰত দ্বিতীয়টো টাৰ্মিনেল নিৰ্মাণৰ কথা বিবেচনা কৰিছে যদিও ৰাজ্যখনৰ প্ৰগতিৰ স্বাৰ্থত ২০২৮ চনৰ ভিতৰতো এই টাৰ্মিনেল নিৰ্মাণ হ'ব পাৰে বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। প্ৰধানমন্ত্ৰীয়ে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা এটা ৰোড শ্ব'ত অংশ লোৱাৰ পিছত গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০

ৰাজ্য চৰকাৰে একত্ৰিকৰণৰ পাছত খালী হৈ থকা বিদ্যালয়সমূহৰ ভূমি সম্পত্তি আৰু আন্তঃগাঁথনিৰ সুৰক্ষা আৰু উচিত ব্যৱহাৰৰ বাবে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। প্ৰাথমিক শিক্ষা বিভাগৰ সঞ্চালকে জিলা প্ৰাথমিক শিক্ষা বিষয়াসকলক একত্ৰিকৰণ আৰু প্ৰাদেশীকিকৃত কৰণৰ পাছত খালী হৈ থকা বিদ্যালয়ৰ ভূমি আৰু ভৱন সমূহৰ সুৰক্ষাৰ বাবে চৰকাৰে ইতিমধ্যে জাৰি কৰা নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিছে। এই নীতি-নিৰ্দেশনা অনুযায়ী একত্ৰিকৰণ আৰু স্থানান্তৰনৰ বাবে কোনো এখন বিদ্যালয় বন্ধ কৰি দিলে বিদ্যালয়খনৰ ভূমি বিদ্যালয় ব্যৱস্থাপনা সমিতি বা শিক্ষা বিভাগে ত্যাগ কৰা বুলি গণ্য কৰা হ'ব। জিলা আয়ুক্তই এনে ভূমি কোনো চৰকাৰী বিভাগ বা সংস্থাক আৱণ্টন দিব পাৰিব। এনে ভূমি কোনো বেচৰকাৰী সংস্থা বা ব্যক্তিগত প্ৰতিষ্ঠানক আৱণ্টনৰ প্ৰস্তাৱ দিবলগীয়া হ'লে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আগতীয়া অনুমোদন বাধ্যতামূলক হ'ব। প্ৰতিখন জিলাতে একত্ৰিকৰণৰ পাছৰে পৰা অব্যৱহৃত হৈ থকা বিদ্যালয়ৰ ভূমিসমূহৰ তদাৰক কৰাৰ বাবে এখন জিলা পৰ্যায়ৰ সমিতি গঠন কৰা হ'ব। জিলা আয়ুক্ত এই সমিতিৰ অধ্যক্ষ আৰু বিদ্যালয় পৰিদৰ্শকসকল সদস্য সচিব হ'ব।

০০০০০০

অসমৰ থলুৱা নাগী হাঁহ আৰু ৰাজহাঁহৰ ৰাজদীঘেলী প্ৰজাতিয়ে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অধীনৰ ৰাষ্ট্ৰীয় জীৱ-জন্তু জীনিয় সমল ব্যুৰ'ৰ স্বীকৃতি লাভ কৰিছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ড০ গালীব উজ জামানৰ নেতৃত্বত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰকল্পৰ অধীনত চলোৱা প্ৰায় ২৫ বছৰীয়া গৱেষণাৰ অন্তত

প্ৰধানকৈ বৰাক উপত্যকাত পোৱা নাগী হাঁহে এই স্বীকৃতি লাভ কৰিছে। পৰম্পৰাগতভাৱে কাছাৰ আৰু শ্ৰীভূমি জিলাত পোৱা এই হাঁহবিধে বছৰি প্ৰায় ডেৰশটা কণী পাৰে। ইপিনে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ বিজ্ঞানীয়ে অসম পশু আৰু মৎস্য বিদ্যালয় কৰ্তৃপক্ষই চলোৱা গৱেষণাৰ ভিত্তিত ৰাজহাঁহৰ ৰাজদীঘলী প্ৰজাতিটোৱে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০

সংসদত গৃহীত বিকশিত ভাৰত G RAM G অৰ্থাৎ গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান বিধেয়ক সন্দৰ্ভত আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত এটা আলোচনা প্ৰচাৰ কৰা হয়। আলোচনাত অংশ লৈ অৰ্থনীতিবিদ তথা অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড০ দেৱজিত মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতাই ৰাজনৈতিক মত বিৰোধলৈ নগৈ এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দল, প্ৰশাসন আৰু ৰাইজক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ড০ মহন্তই কয়, যে এই বিধেয়কখনে পূৰ্বৰ এম জি এনৰেগা আঁচনিৰ ঠাইত জনসাধাৰণক ১২৫ দিনৰ নিশ্চিত কৰ্মসংস্থাপন প্ৰদান কৰাৰ ব্যৱস্থা কৰিব। পূৰ্বৰ আঁচনিৰ সময়ত সংঘটিত অনিয়ম দূৰ কৰাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা প্ৰযুক্তিৰ সহায়ত স্বচ্ছতা ৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

***(বাইট ঃ মহন্ত)***

অনুষ্ঠানত সাংবাদিক শ্ৰীকলিতাই কৃষক আৰু শ্ৰমিকসকল এই আঁচনিখনৰ দ্বাৰা উপকৃত হব পৰাকৈ স্থানীয় প্ৰশাসন, বিশেষকৈ পঞ্চায়তসমূহক অগ্ৰণি ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে এই বিধেয়কখন দুয়োখন সদনে ১৮ ডিচেম্বৰত গৃহীত কৰে। এই বিধেয়কখনৰ জৰিয়তে চৰকাৰে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগী অনুযায়ী গ্ৰাম্য উন্নয়ন পৰিকাঠামো গঢ়ি তুলিব বিচাৰিছে। এই বিধেয়কখনৰ অধীনত প্ৰত্যেক বিত্তীয় বৰ্ষত দক্ষতাৰ প্ৰয়োজন নোহোৱা কাম কৰিব খোজা গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক ১২৫ দিনৰ কৰ্ম সংস্থাপনৰ বিধি সন্মত নিশ্চয়তা প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬০ আৰু ৰাজ্য চৰকাৰে ৪০ শতাংশ ধন যোগান ধৰিব। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৯০ শতাংশ আৰু ৰাজ্য চৰকাৰে ১০ শতাংশ ধন যোগান ধৰিব। ইয়াৰ উপৰি ৰাজ্য চৰকাৰসমূহে নিবনুৱা ভাট্টা আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাও অব্যাহত ৰাখিব।

০০০০০০

সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত তথা ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত কালি লেখক আৰু পাঠকৰ মাজত আড্ডা অনুষ্ঠিত হয়। অধ্যাপক ড০ নিৰোদ গোহাঁইৰ সঞ্চালনাত অনুষ্ঠিত এই অনুষ্ঠানত বহুকেইগৰাকী লেখক আৰু পাঠকে অংশগ্ৰহণ কৰে। মূৰ্চনা সংগীত বিদ্যালয় আৰু নৃত্যাংগন কলা কেন্দ্ৰৰ উদ্যোগত গ্ৰন্থমেলাৰ বাকৰিত কালি সংগীত-নৃত্যৰ অনুষ্ঠানৰ লগতে অৰুণোদয় উন্নয়ন সমিতিৰ বিচিত্ৰানুষ্ঠানো অনুষ্ঠিত হয়।

০০০০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। আয়ুষ মহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে নৱমবাৰৰ বাবে খিতাপ দখলৰ অভিপ্ৰায়েৰে আজি খেলত অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে গ্ৰুপ পৰ্যায়ত ভাৰতে পাকিস্তানক পৰাজিত কৰিছে।

০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথম দুখন খেল বিশাখাপট্টনমত আৰু বাকী তিনিখন খেল তিৰুৱানন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কালি বৰঝাৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন, নামৰূপত এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন, ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টাকৈ হাতীৰ কৰুণ মৃত্যু আদি বাতৰিসমূহে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ পাইছে।

দুদিনীয়া ভ্ৰমণসূচীৰে কালি অসমলৈ অহা প্ৰধানমন্ত্ৰীক হাজাৰ হাজাৰ লোকে ৰাজপথত আদৰণি জনায়। বিমানবন্দৰৰ পৰা ৰাজ্যিক বিজেপিৰ কাৰ্যালয় বশিষ্ঠলৈকে প্ৰধানমন্ত্ৰীৰ যাত্ৰাপথত বিজেপিৰ কৰ্মী, সমৰ্থকে প্ৰধানমন্ত্ৰীগৰাকীৰ সমৰ্থনত ধ্বনি দিয়াৰ বাতৰিটো অসমীয়া প্ৰতিদিন আৰু আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

ৰে'লপথ পাৰ হ'বলৈ লওঁতে কামৰূপৰ-যমুনামুখ ৰে'ল ষ্টেচনৰ মাজৰ চাংজুৰাইত ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ কৰুণ মৃত্যুৰ বাতৰিটো দৈনিক জনমভূমি আৰু দৈনিক অগ্ৰদূত কাকতৰ লগতে এই বাতৰিটো অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিছে।

আজি নামৰূপত সাৰ কাৰখানাৰ চতুৰ্থ গোটৰ আধাৰশিলা স্থাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰাৰ লগতে ডেৰ লক্ষাধিক লোকক উদ্দেশ্যি ভাষণ দিব।

বৰঝাৰৰ নতুন টাৰ্মিনেল ভৱনৰ সমীপত ৬০ একৰ ভূমিত এৰ' হাব নিৰ্মাণ কৰা হ'ব। জানুৱাৰীত কাজিৰঙাত এলিভেটেড কৰিডৰ, গেলেফু-কোকৰাঝাৰ সংযোগী নতুন ৰে'লপথ নিৰ্মাণৰ শুভাৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

দা ছেণ্টিনেল কাকতে দেশৰ ভৱিষ্যৎ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে নেতৃত্ব দিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে।

পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নী বুশ্বাৰা বিবিক পাকিস্তানৰ এখন আদালতে দুৰ্নীতি গোচৰত কালি ১৭ বছৰৰ কাৰাদণ্ড বিহে। এই বাতৰি দি আছাম ট্ৰিবিউনৰ লগতে অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিছে।

ৰঙিয়াৰ ছাত্ৰ আৰিয়ান জিছানক ইণ্টাৰনেচনেল এষ্ট্ৰ'নমিকেল চাৰ্চ কলাবৰেচনৰ অধীনত চলোৱা গ্ৰহাণুৰ

অনুসন্ধান আৰু গৱেষণাৰ বাবে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই স্বীকৃতি প্ৰদান কৰিছে। এই বাতৰি অসমীয়া খবৰ কাকতৰ লগতে অন্যান্য বাতৰি কাকতে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

গৱেষণামূলক অধ্যয়নৰ ক্ষেত্ৰখনক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা চমুকৈ আবিলাক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া তথা ইংৰাজী বিভাগৰ মাজত শেহতীয়াকৈ এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হয়। এই বুজাবুজিৰ চুক্তিখনে মূলতঃ অনুবাদ অধ্যয়ন, পূৰ্বোত্তৰ ভাৰতৰ থলুৱা ভাষাসমূহৰ সংৰক্ষণ, বিভিন্ন ধৰণৰ সাংস্কৃতিক ক্ষেত্ৰত সহযোগিতামূলক গৱেষণা কাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ ইণ্টাৰ্ণশ্বিপ- এই চাৰিটা দিশত গুৰুত্ব আৰোপ কৰিছে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত আবিলাকৰ সঞ্চালিকা তথা অধ্যাপিকা সুদেষ্ণা ভট্টাচাৰ্য তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক জিতেন হাজৰিকা, পঞ্জীয়ক তথা দুয়োটা বিভাগৰে অধ্যাপকসকল উপস্থিত থাকে। আবিলাক পৰিয়ালে এই পদক্ষেপক গৌৰৱময় আৰু ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰিছে। এই চুক্তিয়ে অসমৰ ভাষিক বৈচিত্ৰ্য সংৰক্ষণ তথা অঞ্চলটোৰ জ্ঞান পৰম্পৰা প্ৰসাৰিত কৰিব বুলি আশা কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম, মেঘালয়ক অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত ডাঠ কুঁৱলীয়ে আৱৰি ৰাখিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**